# বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন

**(আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)**

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ
ভাষা শাখাৰ অসমীয়া বিভাগৰ পিএইচ.ডি ডিগ্ৰী প্ৰাপ্তিৰ বাবে
প্ৰদত্ত গৱেষণা গ্ৰন্থ


**ৰূপম গগৈ**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ, বিটিআৰ, অসম ২০২২ বৰ্ষ

# উপসংহাৰ

অসমৰ সত্ৰসমূহৰ ভিতৰত উদাস, অৰ্ধউদাস আৰু গৃহস্থী সত্ৰ হিচাপে ক্ৰমে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰ উল্লেখযোগ্য। উক্ত গৱেষণা কৰ্মত উক্ত উদাস, অৰ্ধউদাস আৰু গৃহস্থী সত্ৰকেইখনত পৰম্পৰাগতভাৱে পৰিৱেশিত হৈ অহা সত্ৰীয়া সংস্কৃতিসমূহৰ বৈজ্ঞানিক বিশ্লেষণ কৰা হৈছে।

অৱতৰণিকা অধ্যায়ত অসমৰ সমাজ ব্যৱস্থাত সত্ৰ প্ৰতিষ্ঠাৰ ইতিহাস সম্পৰ্কে তুলি ধৰা হৈছে। অসমৰ সত্ৰসমূহক গঠন অনুযায়ী উদাস, অৰ্ধউদাস আৰু গৃহস্থী সত্ৰত ভাগ কৰাৰ লগতে কেনেধৰণৰ সত্ৰক এই ভাগসমূহত ধৰিব পাৰি সেই বিষয়ে চমু আলোচনা অধ্যায়ৰ প্ৰথমতে দাঙি ধৰা হৈছে। লগতে বিশেষ বিষয়ৰ সম্পৰ্কে কৰা সু সংঘবদ্ধ জ্ঞান আলোচনাই যে বৈজ্ঞানিক বিশ্লেষণ সেই সম্পৰ্কে ধাৰণা দিয়া হৈছে। লগতে এই অধ্যায়টিত গৱেষণাৰ উদ্দেশ্য, গুৰুত্ব, পদ্ধতি, পৰিসৰ, অধ্যয়নৰ পূৰ্বকৃত সমীক্ষা আৰু প্ৰাককল্পনাৰ আভাস দিয়া হৈছে।

প্ৰথম অধ্যায়টিৰ মূল বিষয় সত্ৰীয়া সংস্কৃতিৰ চমু পৰিচয়। ইয়াত অসমত সত্ৰ প্ৰতিষ্ঠাৰ চমু ইতিহাস, সত্ৰৰ স্বৰূপ, সত্ৰৰ উৎপত্তি আৰু বিকাশ, সত্ৰ বিভাজন, সত্ৰ সংস্কৃতিৰ পৰিচয় এই সকলো দিশ সামৰি লোৱা হৈছে। সংহতি অনুসৰি, প্ৰকৃতি অনুসৰি আৰু প্ৰতিষ্ঠা অনুসৰি তিনিটা ভাগত সত্ৰ সম্পৰ্কে আলোচনা কৰা হৈছে। সত্ৰ সংস্কৃতিক নিত্য-নৈমিত্তিক কৰ্ম, সামাজিক উৎসৱ, আনুষ্ঠানিক উৎসৱ, পৰিৱেশ্য কলা, ভৌতিক সংস্কৃতিত ভাগ কৰি আলোচনা কৰা হৈছে। এই অধ্যায়তে সত্ৰৰ গাঠনিক দিশটোৰ কথা আলোচনা কৰা হৈছে। বিশেষকৈ সত্ৰৰ নামঘৰ, মণিকূট, চাৰিহাটী,ভড়াল, কৰাপাট, নাটশাল আদিভিঠিৰ পৰিচয় দাঙি ধৰা হৈছে। উদাস, অৰ্ধউদাস আৰু গৃহস্থী সত্ৰৰ ধাৰণা দিয়াৰ লগতে এই অধ্যায়তে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ পৰিচয় দাঙি ধৰা হৈছে। লগতে সত্ৰকেইখনৰ প্ৰতিষ্ঠা, সত্ৰৰ পৰিচালনা, সত্ৰৰ প্ৰধান কাম-কাজ, উৎসৱ পাৰ্বন আদি সাংস্কৃতিক দিশসমূহৰ আভাস প্ৰথম অধ্যায়তে তুলি ধৰা হৈছে।

যিকোনো বিষয় সম্পৰ্কে সত্যা সত্য বিচাৰ কৰি জ্ঞান অৰ্জন কৰা প্ৰক্ৰিয়াটো এক গতিশীল প্ৰক্ৰিয়া। এনে গতিশীল প্ৰক্ৰিয়াই পূৰ্বনিধাৰিত জ্ঞানৰ ধাৰাবাহিকতা বিকাশৰহে পোষকতাহে

কৰে। অধ্যয়নৰ জৰিয়তে বাস্তৱ সত্যক স্বীকাৰ কৰি ল'ব পৰাটো এক প্ৰকাৰৰ বিজ্ঞান বা বৈজ্ঞানিক দৃষ্টিভংগী। প্ৰথম অধ্যায়তেই বৈজ্ঞানিক দৃষ্টিভংগীৰ সম্পৰ্কে এক ধাৰণা দিয়া হৈছে।

দ্বিতীয় অধ্যায়ত সত্ৰৰ দৈনন্দিন কাৰ্যত প্ৰতিফলিত বৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰা হৈছে। বিশেষকৈ আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পালিত দৈনন্দিন কৰ্মসমূহ আলোচনা কৰা হৈছে। নিত্য পালিত কৰ্মত বৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰোঁতে সত্ৰৰ সামুহিক স্থানত কৰা কাৰ্যৰ সম্পৰ্কে আলোচনা কৰা হৈছে। সেয়ে সত্ৰৰ নামঘৰ, মণিকূট, পদশিলা, ভিঠি আদি স্থানত প্ৰাতকৰ্ম, প্ৰসংগ, শৰণ-ভজন আদি কাৰ্যৰ তাত্ত্বিক বিচাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। আউনীআটী সত্ৰ ,গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ ভকতসকলে দৈনন্দিন পালিত ব্যক্তিগত কাৰ্যৰ সম্পৰ্কে বিজ্ঞানসন্মত উপস্থাপন কৰা হৈছে।

আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ দৈনন্দিন খাদ্যাভাসো এক উল্লেখযোগ্য কাৰ্য। সেয়ে নিৰ্দিষ্ট ৰীতি-পৰম্পৰাৰ মাজেৰে গ্ৰহণ কৰা খাদ্যাভাসৰ বাস্তৱ সন্মত বিশ্লেষণ আগবঢ়োৱা হৈছে। লগতে সত্ৰৰ দৈনন্দিন সাজ-পাৰ আৰু কথন ভংগী সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা হৈছে। সত্ৰ সংস্কৃতিৰ অন্তৰ্গত দৈনন্দিন পালিত কৰ্মসমূহক বৈজ্ঞানিক দৃষ্টিভংগীৰে এই অধ্যায়ত উপস্থাপন কৰা হৈছে।

তৃতীয় অধ্যায়ত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ সাংস্কৃতিক কৰ্মত প্ৰতিফলিত বৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰা হৈছে। সাংস্কৃতিক দিশৰ আলোচনাত পৰিৱেশ্য কলাৰ অন্তৰ্গত গীত, নৃত্য, নাট্যৰ বৈজ্ঞানিক বিশ্লেষণ কৰা হৈছে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ ভৌতিক সংস্কৃতি আৰু সত্ৰৰ উৎসৱ অনুষ্ঠানসমূহৰ বাস্তৱসন্মত অধ্যয়ন আগবঢ়োৱা হৈছে। পৰিৱেশ্য কলাসমূহৰ পৰিৱেশনৰ পৰম্পৰাগত পদ্ধতি বা ৰীতিৰ লগত বাস্তৱসন্মত যুক্তি, সাম্প্ৰতিক প্ৰেক্ষাপটত সমাজত ইয়াৰ গ্ৰহণযোগ্যতা সম্পৰ্কে যুক্তিনিষ্ঠ বিশ্লেষণ এই অধ্যায়ত আগবঢ়োৱা হৈছে। অৱশ্যে পৰিৱেশ্য কলা আৰু উৎসৱ অনুষ্ঠানৰ পৰিচয় প্ৰথম অধ্যায়তে আগবঢ়োৱা হৈছে।

চতুৰ্থ অধ্যায়ত অসমৰ সমাজ জীৱনত সত্ৰীয়া সংস্কৃতিৰ আৰ্থ-সামাজিক ভূমিকাক বৈজ্ঞানিক দৃষ্টিকোণেৰে আলোচনা কৰা হৈছে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই অসমৰ

সমাজ জীৱনত আৰু আৰ্থ সামাজিক ক্ষেত্ৰখনত লোৱা ভূমিকা সম্পৰ্কে এই অধ্যায়ত পুংখানুপুংখ বিশ্লেষণ তুলি ধৰা হৈছে। সামাজিক তথা আৰ্থসামাজিক ভূমিকাই জৰিয়তে অনুষ্ঠান একোটা সমাজত বৰ্তী থকাত সুবিধা হয়। আউনীআটী সত্ৰ , গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰ কেইখনে অৰ্থনৈতিক ক্ষেত্ৰখনত কৰা কাম কাজ কৃষি, উদ্যোগ, শিল্প-চৰ্চা, পৰ্যটন আদিৰ সম্পৰ্কে আলোচনা কৰা হৈছে। লগতে সত্ৰীয়া শিক্ষা, সাহিত্য,সংস্কৃতি, আধ্যাত্মিকতা, নৈতিকতা গঢ় দিয়াত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হৈছে। সমাজ গঢ়াৰ উদ্দেশ্যৰে সৃষ্টি হোৱা সত্ৰ অনুষ্ঠানে বৰ্তমান সময়ত সমাজৰ বাবে কি কি কাৰ্য কৰিছে। সেই সমম্পৰ্কে বিশেষকৈ এই অধ্যায়ত আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত বিশেষকৈ সাম্প্ৰতিক প্ৰেক্ষাপটত সত্ৰীয়া সংস্কৃতিৰ গুৰুত্ব, বহনক্ষমতা আৰু ভৱিষ্যৎ সম্পৰ্কে আলোচনা কৰা হৈছে। পাঁচশ বছৰৰ পূৰ্বতে প্ৰতিষ্ঠা কৰা সত্ৰৰ পৰম্পৰা আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটাত সত্ৰত সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিৱেশিত হৈ থকা দেখা যায়। পৰম্পৰাগত ভাৱে সত্ৰকেইখনত সত্ৰীয়া সংস্কৃতি পৰিৱেশিত হৈ থকাৰ অন্তৰালত নিৰ্হিত হৈ থকা বাস্তৱসন্মত যুক্তি তথা সমাজ সংস্কাৰক দিশৰ আলোচনা এই অধ্যায়ত কৰা হৈছে। সাম্প্ৰতিক বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰেক্ষাপটত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত কেনেধৰণে আধ্যাত্মিক, নৈতিক , সাংস্কৃতিক দিশৰ জ্ঞান প্ৰদান কৰি আহিছে যাৰ জৰিয়তে সত্ৰসমূহ সমাজ বৰ্তী থাকিব পাৰে এই সম্পৰ্কে এই অধ্যায়ত আলোচনা আগবঢ়োৱা হৈছে। সাম্প্ৰতিক প্ৰেক্ষাপটত সত্ৰসমূহে কৰি থকা কাৰ্যৰ জৰিয়তে ভৱিষ্যতে সত্ৰকেইখনক বহনক্ষম কৰি ৰাখিবনে নাই এই সম্পৰ্কে বিশ্লেষণ কৰা হৈছে লগতে বহনক্ষম কৰিববৈল সত্ৰকেইখনে কি কৰা উচিত সেই সম্পৰ্কে আলোচনা দাঙি ধৰা হৈছে।

**আলোচনাৰ অন্তত আমাৰ অধ্যয়নত প্ৰাপ্ত সিদ্ধান্তসমূহ হ'ল—**

(ক) অসমত প্ৰতিষ্ঠিত হোৱা সত্ৰসমূহৰ মাজত গঠন অনুসৰি ভাগ কৰা উদাস, অৰ্ধউদাস, গৃহস্থী সত্ৰসমূহৰ মাজত ৰীতি-নীতিগত পাৰ্থক্য আছে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ মাজতো পাৰস্পৰিক সাংস্কৃতিক পাৰ্থক্য দেখা পোৱা গৈছে।

(খ) আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত প্ৰচলিত দৈনন্দিন কাৰ্য-কলাপসমূহ

বাস্তৱসন্মত। বিশেষকৈ দৈনিক পালিত কাৰ্যত সত্ৰৰ ভকতে ব্যক্তিগত ভাৱে পালিত পৰম্পৰাত স্বাস্থ্যসন্মত তথা পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশ জড়িত। আউনীআটী সত্ৰ আৰু বৰপেটা সত্ৰৰ উদাস ভকতৰ মাজত এনে ব্যক্তিগত পৰম্পৰাৰ ৰীতি পালিত হোৱা দেখা যায়। গড়মূৰ সত্ৰ গৃহস্থী হেতুকে সকলো ক্ষেত্ৰত অৱশ্যে তেনে নীতি পালন কৰা দেখা নাযায়।

সত্ৰৰ সামূহিক স্থানত দৈনন্দিন পালিত প্ৰসংগ, নাম অনুষ্ঠান পৰিৱেশন শৈলীও বিজ্ঞান সন্মত তথা স্বাস্থ্য সন্মত। স্মৃতি শক্তি বৃদ্ধি, ৰোগ নিৰাময় তথা মানসিক তৃপ্তি প্ৰদানৰ ক্ষেত্ৰত সত্ৰত দৈনন্দিন পালিত প্ৰসংগ, নাম অনুষ্ঠান আদি কাৰ্যৰ উপযোগিতাৰ অৱলোকনো বিচাৰ্য বিষয়। অৱশ্যে আউনীআটী সত্ৰ আৰু বৰপেটা সত্ৰৰ মণিকূটত পদজল দিয়া ব্যৱস্থাৰ কোনো বাস্তৱ সন্মত ভিত্তি দেখা নাযায়।

(গ) আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত দৈনন্দিন ভাৱে ব্যৱহাৰ্য আন এক দিশ হ'ল সাজপাৰ তথা কথনশৈলী। সত্ৰীয়া সাজ-পাৰ তথা কথনশৈলী সাধাৰণ সমাজ ব্যৱস্থাত ব্যৱহৃত সাজ-পাৰ আৰু কথন শৈলীৰ মাজত পাৰ্থক্য আছে। নৈতিক বাক্য-বচন প্ৰয়োগ সত্ৰসমূহৰ এক পৰম্পৰা ইয়াৰ জৰিয়তে সৰুৰ পৰাই ব্যক্তিৰ প্ৰতি সন্মান সূচক, শ্ৰদ্ধাপূৰ্ণভাৱে কথা পতাৰ এক পৰম্পৰা গঢ় লয়। সত্ৰৰ এই পৰম্পৰা শৃংখলিত সমাজ ব্যৱস্থাৰ বাবে অতি গুৰুত্বপূৰ্ণ।

আনহাতে সত্ৰৰ পৰিৱেশত ব্যৱহৃত সাজ-পাৰে সমাজত সাম্য ভাৱ গঢ়াত ভূমিকা লয়। যাৰ ফলত সকলোৰে মাজত সমৰূপতা ভাৱ জগাই তুলিবলৈ চেষ্টা কৰা হয়। যাৰ জৰিয়তে গণতান্ত্ৰিক প্ৰমূল্যক প্ৰাধান্য দিয়া দেখা যায়। সত্ৰ পৰিৱেশত এনে পৰম্পৰা বাস্তৱসন্মত। অৱশ্যে গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ গৃহস্থী ভকতসকলে সত্ৰৰ বাহিৰত অন্য বস্ত্ৰ ব্যৱহাৰ কৰে।

(ঘ) আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পৰম্পৰাগতভাৱে প্ৰচলিত খাদ্যাভাসত স্বাস্থ্যসন্মত দিশ জড়িত থকা দেখা যায়। সত্ৰৰ পৰিশীলিত খাদ্যাভাসে শাৰীৰিক ভাৱে ভকতসকলক সুস্থ কৰি ৰখাত ভূমিকা গ্ৰহণ কৰে। পৰিশীলিত খাদ্যাভাসে সুস্থ চিন্তা-চেতনাৰ বাবে প্ৰয়োজনীয় মানসিক প্ৰশান্তি প্ৰদান কৰে।

(ঙ) আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পৰম্পৰাগতভাৱে গীত পৰিৱেশিতহৈ আছে। গীত পৰিৱেশন, প্ৰসংগ, নাম আদি অনুষ্ঠানৰ লগত বৈজ্ঞানিক দিশ জড়িত

হৈ আছে। গীত পৰিৱেশনৰ নিৰ্দিষ্ট সময়, ৰাগ, পৰিৱেশন শৈলী সম্পূৰ্ণৰূপে যুক্তিপূৰ্ণ। আধ্যাত্মিক ভাৱসম্পন্ন গীতৰ মাজতেই প্ৰেৰণা তথা মানসিক প্ৰশান্তিৰ দিশটো জড়িত হৈ থাকে। বৰ্তমান প্ৰেক্ষাপটত মানুহৰ যান্ত্ৰিকতা, অৱসাদ গ্ৰস্থতাৰ পৰিপ্ৰেক্ষিত্ৰত সত্ৰৰ গীত মাতসমূহৰ প্ৰচলনে মানসিক প্ৰশান্তি প্ৰদানত ভূমিকা ল'ব পাৰে।

(চ) আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ নৃত্য চৰ্চা দিশটোৰ লগত বাস্তৱ সন্মত তথা শাৰীৰিক দিশটো জড়িত। সত্ৰীয়া নৃত্য সাধনাই ব্যক্তিৰ শৰীৰত সাম্প্ৰতিক যোগ ব্যায়ামৰ সফলতাৰ দৰে ক্ৰিয়া কৰে। যোগ ব্যায়মৰ আসনৰ লগত সত্ৰীয়া নৃত্যৰ আসনৰ মিল দেখা যায়। সত্ৰীয়া নৃত্য শৈলীৰ মাজত শৰীৰ চৰ্চা, যোগ আদি দিশটো জড়িত হৈ আছে আৰু এই দিশসমূহে সত্ৰীয়া নৃত্য পৰম্পৰাটো যে স্বাস্থ্যসন্মত এক শৈলী সেই কথা প্ৰমাণিত কৰে।

(ছ) ভাওনা প্ৰদৰ্শন বা পৰিৱেশন আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ আন এক উল্লেখযোগ্য পৰম্পৰা। অৱশ্যে আউনীআটী সত্ৰ আৰু গড়মূৰ সত্ৰত ভাওনা প্ৰদৰ্শন বেছি হয়। ভাওনাৰ জৰিয়তে আধ্যাত্মিক তথা নৈতিক শিক্ষা প্ৰদান কৰে। এই ক্ষেত্ৰত আউনীআটী সত্ৰই ভাওনাৰ জৰিয়তে এক অৰ্থনৈতিক ক্ষেত্ৰ গঢ় দিয়াত ভূমিকা লৈছে। ভাওনা প্ৰদৰ্শনৰ লগতে দহ, পোন্ধৰ দিনীয়া বাণিজ্য মেলা, গ্ৰন্থ মেলাৰ ব্যৱস্থা কৰি এক ব্যৱসায়িক ক্ষেত্ৰ গঢ়ি তুলিছে। আউনীআটী সত্ৰই আৰম্ভ কৰা ভাওনা প্ৰতিযোগিতাৰ জৰিয়তে ভাওনা শিল্পীৰ লগতে ভাওনাৰ লগত জড়িত কলা-কুশলীসকলৰ  মাননীৰ ব্যৱস্থা আৰম্ভ হৈছে। যাৰ ফলত শিল্পী তথা কলা-কুশলীয়ে জীৱিকাৰ মাধ্যম হিচাপে ভাওনাক গ্ৰহণ কৰা দেখা গৈছে।

(জ) সত্ৰৰ ধৰ্মীয় পৰম্পৰাৰ লগতে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ অৰ্থনৈতিক ভূমিকাৰ দিশটোও এটা গুৰুত্বপূৰ্ণ প্ৰসংগ। পৰম্পৰাগতভাৱে সত্ৰসমূহত পৰিৱেশ্য কলা, শিল্প চৰ্চা আদি শিক্ষা প্ৰদান কৰি অহা হৈছে। যিসমূহ শিক্ষাৰ জৰিয়তে ব্যক্তি এজন স্বাৱলম্বী হ'ব পাৰে। বৰপেটা সত্ৰ, আউনীআটীসত্ৰৰ পৰিৱেশত থকা শিল্প চৰ্চা, পৰিৱেশ্য কলা চৰ্চা কৰা ব্যক্তিসকলে সেই কথা প্ৰমানিত কৰে।

(ঝ) সত্ৰক কেন্দ্ৰ কৰি সত্ৰৰ চৌদিশে এক অৰ্থনৈতিক পৰিৱেশ সৃষ্টি হৈছে। পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ ক্ষুদ্ৰ শিল্পজাত সামগ্ৰী, অতিথিশালা আদি ব্যৱসায় গঢ়ি উঠা দেখা যায়।

এনে ধৰণৰ ব্যৱসায়ে স্থানীয় ক্ষুদ্ৰ ব্যৱসায়িসকলকো কিছু পৰিমাণে স্বাৱলম্বী কৰিছে। সেয়ে সাম্প্ৰতিক প্ৰেক্ষাপটতো. বৰপেটা সত্ৰ, গড়মূৰ সত্ৰ আৰু আউনীআটী সত্ৰৰ অৰ্থনৈতিক গুৰুত্ব আওকাণ কৰিব পৰা নাযাব। বিশেষকৈ প্ৰত্যেকখন সত্ৰক কেন্দ্ৰ কৰি একোখন থলুৱা বজাৰ গঢ়ি উঠাতো লক্ষ্যনীয় দিশ।

আনহাতে আউনীআটীসত্ৰ, বৰপেটাসত্ৰ আৰু গড়মূৰ সত্ৰৰ ফালৰ পৰা আধি কৃষি কাৰ্যৰ বাবে স্থানীয় লোকক মাটি প্ৰদান কৰা দিশটো অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। যিহেতু কৃষি কাৰ্য কৰা ব্যক্তিসকল সত্ৰৰ ওপৰত নিৰ্ভৰশীল। সেয়ে সত্ৰৰ ফালৰ পৰা কৃষি কাৰ্যৰ বাবে ভূমি প্ৰদান কৰা দিশটোৱে অৰ্থনৈতিক ভূমিকা গ্ৰহণ কৰি আহিছে।

(ট) সাম্প্ৰতিক আধুনিকতাৰ প্ৰেক্ষাপটতো সত্ৰসমূহতপৰিলক্ষিত জাতি তথা শ্ৰেণী বৈষম্য কোনো পধ্যে গ্ৰহণযোগ্য নহয়। বৰপেটা সত্ৰত পৰম্পৰাক অনুসৰণ কৰি বাস্তৱ ভিত্তি নোহোৱাকৈ মহিলা প্ৰৱেশ কৰিব নোৱাৰা কাৰ্যটো অযুক্তিকৰ। আনহাতে আউনীআটী সত্ৰ আৰু গড়মূৰ সত্ৰৰ সত্ৰাধিকা পদত কেৱল সমাজৰ তথাকথিত উচ্চ শ্ৰেণীৰ ব্যক্তিয়ে অধিষ্ঠিত হোৱা কাৰ্যটো অপ্ৰাসংগিক।

বৰপেটা সত্ৰ, গড়মূৰ সত্ৰ আৰু আউনীআটী সত্ৰই সমাজ সংস্কাৰ, নৈতিকতা নিৰ্মাণ, আধ্যাত্মিক শিক্ষা প্ৰদান তথা শৃংখলিত সমাজ সৃষ্টিত ভূমিকা লৈছিল। তিনিওখন সত্ৰই অৱশ্যে বৰ্তমানলৈকে কিছু পৰিমাণে এই ক্ষেত্ৰত কাম কৰা দেখা যায়। তুলনামূলক ভাৱে আউনীআটী সত্ৰ আৰু বৰপেটা সত্ৰৰ ভূমিকা এই ক্ষেত্ৰত বেছি দেখা পোৱা যায়।

সাম্প্ৰতিক প্ৰেক্ষাপটত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰ বহনক্ষম হৈ থাকিবলৈ হ'লে সত্ৰকেইখনে জাতিগত ভেদ ভাৱ, উচ্চ-নীচৰ বিচাৰ আনিব নালাগিব। আমাৰ ক্ষেত্ৰ অধ্যয়নৰ সময়ত কোনোখন সত্ৰতে জনজাতীয় ভকত দেখা নগ'ল। গতিকে এই ক্ষেত্ৰত সত্ৰকেইখনে গুৰুত্ব দিয়া প্ৰয়োজন। সত্ৰীয়া সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল তথা আগ্ৰহী যিকোনো লোকক সত্ৰীয়া সাংস্কৃতিক শিক্ষা প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আছে । যিহেতু সত্ৰৰ ফালৰ পৰা প্ৰদান কৰা বায়ন, গায়ন আদিৰ প্ৰমাণ পত্ৰক যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানত গ্ৰহণযোগ্য হিচাপে বিবেচনা কৰে, সেয়ে সামাজিক ক্ষেত্ৰত সত্ৰকেইখনে এনে ভূমিকা ল'ব পাৰে। সাম্প্ৰতিক প্ৰেক্ষাপটত আউনীআটী সত্ৰ,গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই সত্ৰৰ ফালৰ পৰা অৰ্থনৈতিক ক্ষেত্ৰখনতো

ভূমিকা লব পৰা থল আছে। সত্ৰৰ মাটিত ক্ষুদ্ৰ উদ্যোগ , বিজ্ঞানসন্মত কৃষি, মৎস্য পালন আদিৰ দৰে কৰ্ম কৰি সংশ্লিষ্ট অঞ্চলৰ আৰ্থসামাজিক ক্ষেত্ৰখনত ভূমিকা লব পাৰে কাৰণ সত্ৰকেইখনৰ স্থাৱৰ সম্পত্তি যথেষ্ট বেছি।

আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰ পেটা সত্ৰই অসমৰ বিভিন্ন গাঁওসমূহত, বিদ্যালয়, মহাবিদ্যালয়ত কৰ্মশালা কৰি সত্ৰীয়া সাংস্কৃতিক দিশৰ লগতে পৰম্পৰাৰ ব্যৱহাৰিক দিশৰ লাভালাভ সম্পৰ্কে শিক্ষা প্ৰদান কৰিব পাৰে। সাম্প্ৰতিক প্ৰেক্ষাপটত এনে কাৰ্যৰ প্ৰয়োজন অধিক। কাৰণ বিভিন্ন পাশ্চাত্যৰ গীত নৃত্যই অসমত থিতাপি লোৱাৰ সময়ত অসমৰ নৱপ্ৰজন্মক অসমৰ সত্ৰীয়া সংস্কৃতি সম্পৰ্কে আগ্ৰহী কৰি তুলাৰ ক্ষেত্ৰত সত্ৰই ভূমিকা ল'ব পাৰে। লগতে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই শৈক্ষিক প্ৰতিষ্ঠান আদিৰ সহযোগত বিদ্যায়তনিক আলোচনা চক্ৰ আদি অনুষ্ঠানৰ জৰিয়তে সত্ৰীয়া সংস্কৃতি সম্পৰ্কে আলোচনা কৰিব পাৰে। ইয়াৰ ফলত সত্ৰীয়া সংস্কৃতিৰ সম্পৰ্কে নতুন নতুন বিদ্যায়তনিক দিশৰ আলোচনাৰ বাট মুকলি হ'ব। লগতে সত্ৰকেইখনে নিজা প্ৰচেষ্টাৰে গ্ৰন্থ আদি প্ৰকাশৰ ব্যৱস্থাৰে সত্ৰৰ ইতিহাস তথা সংস্কৃতি সম্পৰ্কে অধ্যয়নৰ সুবিধা কৰিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত কিছুপৰিমাণে সত্ৰকেইখনে আলোচনা চক্ৰ, কোনো অনুষ্ঠানত স্মৃতিগ্ৰন্থ, গ্ৰন্থ, আলোচনী প্ৰকাশ আদি কৰি আহিছে যদিও সেয়া বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত বহু পুৰণি সাঁচিপাতৰ গ্ৰন্থ, বয়-বস্তু, তথা ভাস্কৰ্য শিল্প আছে। সেইসমূহক পদ্ধতিগত ভাৱে বৈজ্ঞানিক প্ৰযুক্তিৰে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। এনেবোৰ সামাজিক-সাংস্কৃতিক দিশত সত্ৰকেইখন আগবাঢ়ি গ'লেহে সত্ৰীয়া সংস্কৃতি ভৱিষ্যতলৈ বহনক্ষম হৈ থাকিব।

**ভৱিষ্যৎ অধ্যয়নৰ অৱকাশ**

গতিকে আমাৰ অধ্যয়নৰ পৰা দেখাপোৱা যায় যে যদিও সত্ৰসমূহ মধ্য যুগতেই অসমত প্ৰতিষ্ঠা হৈছিল কিন্তু সত্ৰবোৰৰ প্ৰাসঙ্গিকতা এতিয়াও ম্লান হোৱা নাই। আমাৰ অধ্যয়নত উদাস,অৰ্ধউদাস আৰু গৃহস্থীসত্ৰ হিচাপে প্ৰতিনিধিত্বমূলকভাৱে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰক অধ্যয়ন কৰা হৈছে। তিনিখন সত্ৰতে পৃথক পৃথক দৈনন্দিন ৰীতি পৰম্পৰা

আছে, সেইসমূহ অধ্যয়নৰ জৰিয়তে সাম্প্ৰতিক প্ৰেক্ষাপটত সত্ৰকেইখনৰ বাস্তৱিক প্ৰাসঙ্গিকতা প্ৰমাণিত হয়। অৱশ্যে আমি গৱেষণাটোত উদাস, অৰ্ধউদাস আৰু গৃহস্থী সত্ৰৰ সংস্কৃতি সম্পৰ্কে অধ্যয়ন আগবঢ়োৱাৰ চেষ্টা কৰিলোঁ। কিন্তু আমাৰ গৱেষণাত সকলোবোৰ সত্ৰক সামৰি ল'ব পৰা নাই। ভৱিষ্যত গৱেষকসকলে সত্ৰৰ সকলোবোৰ দিশ সামৰি অধ্যয়নতো আগুৱাব পাৰিব।

বিশেষকৈ অসমৰ আধ্যাত্মিক ক্ষেত্ৰত সত্ৰসমূহৰ দৰেই অসমৰ চুবুৰীয়া ৰাজ্য পশ্চিম বংগত স্বামীবিবেকানন্দই প্ৰতিষ্ঠা কৰা সমাজ কল্যাণমূলক তথা আধ্যাত্মিক সংগঠন ৰামকৃষ্ণ মিছন আৰু বৌদ্ধ বিহাৰ বহু পৰিমাণে ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আছে। সামাজিক ক্ষেত্ৰখনত সমাজকেন্দ্ৰিক এনে ধৰ্মীয় অনুষ্ঠানৰ লগত অসমৰ সত্ৰ পৰম্পৰাৰ তুলনামূলক অধ্যয়ন কৰা থল আছে। ইয়াৰ জৰিয়তে সৰ্বভাৰতীয় ধৰ্মীয় পৰম্পৰাৰ প্ৰেক্ষাপটত অসমৰ সত্ৰসমূহৰ ভূমিকা আৰু গুৰুত্ব সম্পৰ্কে এক অধ্যয়নৰ বাট মুকলি হ'ব।

আনহাতে আমাৰ অধ্যয়নত কেৱল তিনিখন সত্ৰহে লোৱা হৈছে। কিন্তু অসমত বহু সত্ৰ আছে। স্থানীয় পাৰিপাৰ্শ্বিক পৰিৱেশ আৰু প্ৰেক্ষাপটে সত্ৰ এখনৰ পৰম্পৰা, ৰীতি-নীতি তথা সাংস্কৃতিক পৰিৱেশন শৈলীত প্ৰভাৱ পেলায়। সেয়ে ভৱিষ্যতে তেনেধৰণ বিষয়সমূহ সামৰি অধ্যয়ন কৰিলে অন্য দিশ পোহৰলৈ অহাৰ অৱকাশ আছে। আমাৰ অধ্যয়নত আউনীআটী, গড়মূৰ আৰু বৰপেটা সত্ৰক একেলগে অধ্যয়ন কৰা হৈছে। ভৱিষ্যতে পৃথকে পৃথকে অধ্যয়ন কৰাৰ থল আছে। তদুপৰি সত্ৰকেইখনৰ দৈনন্দিন ৰীতি, সাংস্কৃতিক , অৰ্থনৈতিক, সামাজিক, আধ্যাত্মিক, ভৌতিক আদি সকলো দিশ একেলগে সামৰি অধ্যয়ন কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে প্ৰত্যেকটো দিশতে প্ৰণালীবদ্ধভাৱে পৃথকে অধ্যয়ন কৰিব পৰা যাব।

সত্ৰ সংস্কৃতিৰ পৰিসৰৰ ব্যাপকতাৰ পৰিপেক্ষিতত ইয়াৰ বিভিন্ন দিশৰ প্ৰণালীবদ্ধ তথা বিজ্ঞানসন্মত অধ্যয়ন আৰু গৱেষণাৰ যথেষ্ট থল আছে। সকলোবোৰ দিশ এনেধৰণৰ বিদ্যায়তনিক অধ্যয়নে নিশ্চিত ৰূপত সত্ৰীয়া সংস্কৃতিক সাৰ্বিকভাৱে অৱলোকন কৰাৰ পথ মুকলি কৰিব।